**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 14-06-2024
**Time :** 1715 Hrs.

***ASSAMESE REGIONAL EVENING BULLETIN***

**::::::::::::::::::::::::::::::::::::::**

## HEADLINES

আজি বিশ্ব ৰক্তদাতা দিৱস। দেশৰ আন আন প্ৰান্তৰ লগতে ৰাজ্যতো এই দিৱস পালন কৰা হৈছে। এই উপলক্ষে প্ৰদান কৰা বক্তব্যত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কয় যে, ৰক্তদান হৈছে মানুহৰ জীৱনৰ অন্যতম শ্ৰেষ্ঠ মহাত দান। এই দানে আন এজনৰ জীৱন ৰক্ষা কৰিব পাৰে। সেয়েহে তেওঁ ৰক্তদানৰ ইতিবাচক দিশসমূহ প্ৰচাৰ কৰি সমাজলৈ শুভবাৰ্তা প্ৰেৰণ কৰিবলৈ আহ্বান জনায়। ইফালে বিশ্ব ৰক্তদাতা দিৱস উপলক্ষে স্বাস্থ্য মন্ত্ৰী কেশৱ মহন্তই আজি অসম ৰাজ্যিক ৰক্ত সংৰচন পৰিষদে আয়োজন কৰা ৰাজ্যিক কাৰ্যসূচীত অংশগ্ৰহণ কৰে। কাৰ্যসূচীৰ পূৰ্বে মন্ত্ৰীগৰাকীয়ে গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ চিকিৎসালয়ৰ ৰক্ত কেন্দ্ৰই ব্যৱস্থাপনা কৰা স্বেচ্ছামূলক ভ্ৰাম্যমাণ ৰক্তদান শিবিৰৰ শুভাৰম্ভ কৰে। এই শিবিৰত স্বেচ্ছামূলকভাৱে ৰক্তদান কৰি সহানুভৱতাৰ নিদৰ্শন দেখুওৱা শ্ৰেষ্ঠ ৰক্তদাতাসকল, প্ৰতিৰক্ষা বাহিনী আৰু কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনী বিষয়া-জোৱানসকলক সম্বৰ্ধনা জ্ঞাপন কৰা হয়।

বিশ্ব ৰক্তদাতা দিৱসৰ লগত সংগতি মৰিগাঁও অসামৰিক চিকিৎসালয়ত আজি ৰক্তদান শিবিৰৰ আয়োজন কৰা হয়। ৰক্তদাতাসকলক মৰিগাঁও জিলা আয়ুক্তই শুভেচ্ছা জ্ঞাপন কৰে।

আনহাতে বিশ্ব ৰক্তদাতা দিৱস বৰপেটাৰ ফখৰুদ্দিন আলী আহমেদ চিকিৎসা মহাবিদ্যালয় হাস্পটালতো পালন কৰা হয়। চিকিৎসালয়খনৰ ব্লাড বেংকৰ উদ্যোগত ৰক্তদানৰ বিশেষ কাৰ্যসূচী সম্পন্ন হয়। চিকিৎসালয়খনত আজি ৫০ গৰাকী লোকৰ ৰক্ত গ্ৰহণ কৰা হয়। লগতে ৰক্তদান কৰা ব্যক্তিসকলক হাস্পটাল কৰ্তৃপক্ষই আদৰণিও জনায়।

শিৱসাগৰতো এখন ব্যক্তিখণ্ডৰ হাস্পটালত বিশ্ব ৰক্তদাতা দিৱস পালন কৰা হয়। এই উপলক্ষে আয়োজিত ৰক্তদান শিবিৰ জিলা সহকাৰী আয়ুক্তই মুকলি কৰে। আজিৰ শিবিৰটোত প্ৰায় ৫০ গৰাকী ব্যক্তিয়ে ৰক্তদান কৰে।

০০০০০০

ৰাজ্যিক পশুধন আৰু হাঁহ কুকুৰা নিগমৰ উদ্যোগত আজি দুদিনীয়া কাৰ্যসূচীৰে পশুপালন সম্পৰ্কীয় এখন কৰ্মশালা আৰম্ভ হৈছে। ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ দুই শতাধিক যুৱক-যুৱতীয়ে এই প্ৰশিক্ষণ কাৰ্যসূচীত অংশগ্ৰহণ কৰিছে। অনুষ্ঠানত নিগমৰ অধ্যক্ষ মনোজ শইকীয়াই ভাষণ প্ৰসংগত পশুপালন বৃত্তি সাম্প্ৰতিক সময়ৰ এক লাভজনক বৃত্তি বুলি উল্লেখ কৰি পশুপালনৰ জৰিয়তে গ্ৰাম্য অৰ্থনীতি শক্তিশালী কৰি তুলিব বুলি মত প্ৰকাশ কৰে। অধ্যক্ষগৰাকীয়ে যুৱক-যুৱতীসকলক পশুপালনৰ জৰিয়তে স্বাৱলম্বী হ'বলৈ হোৱাৰ অনুৰোধ জনোৱাৰ লগতে এই ক্ষেত্ৰত সম্ভাব্য সকলো সাহাৰ্য আগবঢ়োৱাৰ প্ৰতিশ্ৰুতি দিয়ে। ৰাজ্যিক পশুধন আৰু হাঁহ-কুকুৰা নিগমে ২০২২-২৩ বিত্তীয় বৰ্ষৰ পৰা ধাৰাবাহিকভাৱে লাভান্বিত হৈ আহিছে বুলি নিগমৰ অধ্যক্ষগৰাকীয়ে আজি প্ৰকাশ কৰে। তেওঁ কয় যে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু পশুপালন তথা পশু

চিকিৎসা বিভাগৰ মন্ত্ৰী অতুল বৰাৰ নেতৃত্বত নিগমৰ মূল লক্ষ্য ৰূপায়ণত সফল হোৱা বুলি তেওঁ উল্লেখ কৰে। ২০২২-২৩ বিত্তীয় বৰ্ষত নিগমৰ ৬২ লাখতকৈও অধিক টকা লাভ হোৱা বুলি তেওঁ সদৰী কৰে। তেওঁ কয় যে নিগমে প্ৰায় বিনামূলীয়া প্ৰশিক্ষণ প্ৰদান কৰা ২৩ হাজাৰ যুৱক-যুৱতীৰ ভিতৰত ১১ হাজাৰৰো অধিক যুৱক-যুৱতীয়ে ৰাজসাহাৰ্য লাভ কৰি স্বাৱলম্বী হ'বলৈ সক্ষম হৈছে। অধ্যক্ষগৰাকীয়ে কয় যে মুখ্যমন্ত্ৰীৰ ধ্বজাবাহিনী আঁচনিয়ে আকৰ্ষিত কৰিছে। নিগমৰ পূৰ্বৰ  প্ৰকল্পসমূহৰ লগতে শেহতীয়াকৈ খানাপাৰাৰ শীতলীকৰণ ভঁৰাল আৰু মাংসৰ আধুনিক পদ্ধতিৰে বিক্ৰীকেন্দ্ৰ কাৰ্যক্ষম কৰি তোলা হৈছে।

০০০০০০

প্ৰখ্যাত সমাজকৰ্মী ধীৰেণ বৰুৱাৰ প্ৰথম মৃত্যুবাৰ্ষিকী উপলক্ষে পৰহিলৈ গুৱাহাটীৰ কুমাৰ ভাস্কৰ নাট্য মন্দিৰত দিনৰ ১০ বাজি ২০ মিনিটৰ পৰা গুৱাহাটী প্ৰাণ শীৰ্ষক বিশেষ অন্তৰংগ আলাপ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। উল্লেখযোগ্য যে ধীৰেণ বৰুৱা সাংসদ হেম বৰুৱাৰ অন্যতম সহযোগী আছিল। গুৱাহাটী তেল শোধানাগাৰ, শৰাইঘাট দলং,  উত্তৰ-পূব সীমান্ত ৰে'লৰ সদৰ কাৰ্যালয় স্থাপন আদি অসমৰ কেইবাটাও জাতীয় আন্দোলনৰ তেওঁ সক্ৰিয় অংশগ্ৰহণ কৰিছিল। প্ৰতিষ্ঠানটোৰ তৰফৰ পৰা গুৱাহাটীৰ সমস্যা তথা সমাধানৰ বিষয়ে আগ্ৰহী ব্যক্তিসকলক  guwahatipran@gmail.com ই-মেইললৈ লিখি পঠিয়াবলৈ আহ্বান জনোৱা হৈছে।

০০০০০০

অসম উদ্যান শস্য পালন সমাজে আজি গুৱাহাটীৰ খানাপাৰা কৃষি সঞ্চালকালয়ত বহনক্ষম বিকাশৰ বাবে যিকোনো জলবায়ুত বৰ্তি থাকিব পৰা উদ্যান শস্য সন্দৰ্ভত ৰাজ্যিক পৰ্যায়ৰ এখন আলোচনা চক্ৰ অনুষ্ঠিত হয়। উদ্যান শস্য আৰু খাদ্য সংশাধন সঞ্চালকালয়ৰ উদ্যোগত কৃষি বিজ্ঞান কেন্দ্ৰ তথা অসম কৃষি বিশ্ববিদ্যালয়ৰ সহযোগত আয়োজিত এই অনুষ্ঠানত জলবায়ু পৰিৱৰ্তন আৰু অসমৰ উদ্যান শস্যত ইয়াৰ প্ৰভাৱ, সমস্যা আৰু প্ৰস্তুতি, উদ্যান শস্যভিত্তিক জৈৱিক তথা প্ৰাকৃতিক কৃষি উদ্যান শস্যসমূহৰ সুৰক্ষাকে ধৰি বিভিন্ন বিষয় সন্দৰ্ভত আলোচনা কৰা হয়। আলোচনা চক্ৰখনত কৃষি বিভাগৰ সচিব তথা সঞ্চালক শ্ৰীযুত ভাস্কৰ পেগু, উদ্যান শস্য আৰু খাদ্য সংশাধন বিভাগৰ সচিব তথা সঞ্চালক শ্ৰীযুত টি পি ভূষালৰ লগতে অসম কৃষি বিশ্ববিদ্যালয়ৰ কেইবাগৰাকী বিজ্ঞানীকে ধৰি বহু গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

০০০০০০

ঃসমাপ্তঃ